# জল ব্যৱস্থাপনা

www.rkbassam.in



কৃষিৰ বাবে সম্প্ৰতি বিশ্বজুৰি জলসিঞ্চনৰ অভাৱ অনুভৱ কৰি অহা হৈছে। অহা ২০২৫ চনৰ ভিতৰত জলসিঞ্চনৰ ব্যৱস্থা থকা প্ৰায় ১৫-২০ নিযুত হেক্টৰ ধানখেতিৰ পথাৰ পানীৰ সংকটৰ সন্মুখীন হ'ব পাৰে। সেয়ে পথাৰত পানীৰ সঠিক ব্যৱহাৰ আৰু অপচয় ৰোধ কৰিবলৈ সকলো সজাগ হ'ব লাগিব। এইক্ষেত্ৰত ধানখেতিৰ কাৰণে জলসিঞ্চন ব্যৱস্থাপনাৰ কিছুমান নীতি নিৰ্দেশনাক কৃষকৰ মৌলিক কৰ্তব্য হিচাপে বিবেচনা কৰা হয়।

**পথাৰত নলাৰ ব্যৱস্থাঃ**

ভালেমান খেতিপথাৰত সাধাৰণতে দ' অংশৰে পানী বৈ যায়। গোটেই পথাৰখনৰ প্ৰতিটো অংশত সমানে পানী যোগানৰ কাৰণে মাটিডৰা সমান কৰি নলা নিৰ্মাণ কৰাটো নিতান্তই জৰুৰী। এনে ব্যৱস্থাই পথাৰ খনৰ সামগ্ৰীক উৎপাদন বৃদ্ধিত সহায় কৰে।

**মাটি সমান কৰা প্ৰক্ৰিয়া ঃ**

এচলীয়া মাটিত পানী নৰয়। এনে মাটিৰ ওখ অংশ সদায় শুকান হৈ থাকে আৰু দ অংশত পানী বেছিকৈ জমা হয়। এই সমস্যা দূৰীকৰণৰ বাবে মাটিৰ খননৰ প্ৰয়োজন হয়। ওখ অংশ কাটি আনি দ অংশত জমা কৰি মাটি সমান কৰি লোৱা হয়। এনে সমান পথাৰত পানী দিবলৈ, সাৰ, বীজ আদি সিঁচিবলৈ সুবিধা হয়, যাৰফলত শস্যৰ শ্ৰীবৃদ্ধিও সম হয়।

**মাটি চহোৱা কাৰ্যঃ**

মাটি প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত অতিশয় গুৰুত্বপূৰ্ণ দিশটো হ'ল পানী অপচয় ৰোধ কৰা। সাধাৰণতে শুকান মাটিত থকা ফাঁক বা গাঁতবোৰত পানী সোমাই যোৱাৰ ফলত প্ৰয়োগ কৰা পানীৰ প্ৰায় এক তৃতীয়াংশ নষ্ট হৈ যায়। সেই সমস্যাৰ পৰা হাত সাৰিবলৈ মাটিডৰা প্ৰথমতে পাতলীয়াকৈ হাল বাই লব লাগে। মাটি গুৰি হোৱাৰ পিছত পানী দিলে ফুটাবোৰ অনায়াসে বন্ধ হয় আৰু পানীৰ অপচয় কমে। অন্যহাতে মাটি বোকা কৰা প্ৰক্ৰিয়াত হালবোৱা আৰু পানী দিয়া সময়ৰ ব্যৱধান সদায় কম হ'ব লাগে। হালবোৱা আৰু পানী দিয়া কাম একেলগে কৰিব পাৰিলে পানী ৰ'দত শুকাই যোৱা আৰু মাটিৰ তললৈ সোমাই যোৱাৰ ফলত হোৱা পানীৰ অপচয় কমাব পাৰি ।

**বান্ধ বা আলি দিয়া কাৰ্যঃ**

মাটিৰ অৱস্থা (এচলীয়া বা সমান) অনুসৰি পথাৰত আলি দি লোৱাটো নিতান্তই জৰুৰী। সম্পূৰ্ণ ৰূপে আলি দি হাল বাই, মাটি গুৰি কৰাৰ পিছত পানী দিব লাগে। বোকা কৰি ধানখেতি কৰা মাটিত আলি বিলাক আটিলকৈ সুন্দৰকৈ লেপন দি প্ৰস্তুত কৰিব লাগে। এই সময়তে এন্দুৰ, কেঁচু আদিৰ গাঁতবোৰ ভালকৈ বন্ধ কৰি দিব লাগে যাতে পানীৰ অপচয় ৰোধ হয়।

**পানীৰ গভীৰতা ঃ**

ধানখেতিৰ পথাৰত পানীৰ গভীৰতা প্ৰায় ৫ ছেঃমিঃ হ'লে ভাল তেতিয়া কোনোবা ফালে পানী বাগৰি গৈছে নেকি বা মাটিৰ তললৈও পানী নিগৰিছে নেকি সহজে দৃষ্টিগোচৰ হয়। পানীৰ অপচয় ৰোধ কৰাৰ ই এটা সহজ পদ্ধতি।

**পানী সংৰক্ষণৰ বিকল্প পদ্ধতিঃ**

খেতি পথাৰত পানী দিয়াটো যিমান জৰুৰী সেই পানীৰ কিমান শতাংশ উৎপাদন কাৰ্যত প্ৰকৃততে ব্যৱহাৰ হ'ল তাৰ নিৰীক্ষণ কৰাটো সমানেই জৰুৰী। জলব্যৱস্থাপনাৰ পদ্ধতি সমূহৰ ভিতৰত মুখ্যতঃ পুনঃ মাটি সিক্ত আৰু শুষ্ককৰণ পদ্ধতি প্ৰধান। পানী সংৰক্ষণৰ বাবে এই পদ্ধতিব্যৱহাৰ কৰিব পাৰি ।



ছবিঃ সৈয়াই নোলোৱা পথাৰ



ছবি ঃ মাটিৰ ফাঁক



ছবি ঃ হাল বোৱা কাৰ্য



ছবিঃ জলসিঞ্চন থকা পথাৰ



ছবি ঃ এন্দুৰৰ গাঁত



ছবি ঃ পথাৰৰ আলি তৈয়াৰ

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions espressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-ShareAlike 3.0 (Unported)*